পাঠ-৫

# সম্পদৰ সংৰক্ষণ

জীৱনধাৰণৰ বাবে আমি নানা ধৰণৰ সম্পদ ব্যৱহাৰ কৰোঁ। মানুহৰ সংখ্যা বাঢ়ি অহাৰ লগে লগে এনে সম্পদৰ ব্যৱহাৰো বৃদ্ধি পাইছে। যধে-মধে গছ কটা, বন্যপ্ৰাণী বধ কৰা, পাহাৰ কাটি দ-ঠাই পূৰোৱা, য'তে ত'তে খনন কৰা আদি কাৰ্যসমূহে পৰিৱেশৰ ভাৰসাম্য নষ্ট কৰে। সেয়েহে আমি সম্পদসমূহ মিতব্যয়ীভাৱে ব্যৱহাৰ কৰি যথাসম্ভৱ সংৰক্ষণ কৰা উচিত।

**ভৱিষ্যতৰ বাবে আঁচনি কৰি সম্পদৰ যথাযোগ্য ব্যৱহাৰ আৰু সঞ্চয় কৰাই হৈছে সম্পদ সংৰক্ষণ।**

বহু বছৰ আগতে পৃথিৱীৰ বুকুত ডাইন'ছৰৰ দৰে বৃহৎ আকাৰৰ প্ৰাণীৰ পৰা আৰম্ভ কৰি বহুতো সৰু-ডাঙৰ প্ৰাণীৰ আৱিৰ্ভাৱ হৈছিল। জীয়াই থকাৰ উপযুক্ত পৰিৱেশৰ অভাৱত ইয়াৰে কিছুমান প্ৰাণী পৃথিৱীৰ বুকুৰ পৰা বিলুপ্ত হ'ব ধৰিছে। এনেধৰণে প্ৰাকৃতিকভাৱে লাহে লাহে জীৱৰ বিলুপ্তি ঘটে। তাৰ উপৰি যধে-মধে গছ কটা, বন্যপ্ৰাণী বধ কৰা আদি কাৰ্যসমূহৰ বাবেও পৃথিৱীৰ পৰা প্ৰাণীবোৰ নোহোৱা হৈছে।



ডাইন'ছৰ



দ'দ'

মৰিছাছ দ্বীপত দ'দ' নামৰ এবিধ চৰাই আছিল। এই চৰাইবোৰে আন খাদ্যৰ লগত সেই দ্বীপতে হোৱা 'কেলভেৰিয়া-মেজ'ৰ নামৰ এবিধ গছৰ গুটিও খাইছিল। গুটিবোৰ বৰ টান আছিল বাবে মাটিত ৰুই দিলে নগজিছিল। কিন্তু দ'দ' চৰাইবোৰে গছৰ গুটিবোৰ খাই বিষ্ঠা হিচাপে উলিয়াই দিয়াৰ পিছত গুটিবোৰ সহজে গজিছিল। মৰিছাছ দ্বীপলৈ অহা জাহাজৰ নাবিকবোৰে এই দৌৰিব নোৱাৰা চৰাইবোৰ ধৰি ধৰি খাবলৈ ল'লে। মাৰিবলৈ সহজ বাবে নাবিকবোৰে প্ৰয়োজনতকৈ বেছিকৈ চৰাই মাৰিবলৈ ধৰাৰ ফলত কিছু বছৰৰ ভিতৰত দ'দ' চৰাই মৰিছাছ দ্বীপৰ পৰা সম্পূৰ্ণ লোপ পালে। লগতে 'কেলভেৰিয়া-মেজ'ৰ নামৰ গছবিধো তাত নোহোৱা হ'ল।

**১৬০০ চনৰ পৰা আৰম্ভ কৰি বৰ্তমানলৈ এই চাৰিশ বছৰত পৃথিৱীৰ পৰা ২৭০ বিধ প্ৰাণী বিলুপ্ত হৈছে। বিলুপ্ত হোৱা প্ৰাণীবোৰৰ ভিতৰত ১৫০ বিধ প্ৰজাতি হৈছে পক্ষী।**




কিছুমান বিলুপ্ত হৈ যোৱা প্ৰাণী

**কি কি কাৰণত বনাঞ্চল ধ্বংস হৈছে আৰু বন্যপ্ৰাণীৰ সংখ্যা কমি আহিছে তাক জানোঁ আহা—**

- জনসংখ্যা বৃদ্ধিৰ লগে লগে মানুহৰ খাদ্য, বস্ত্ৰ আৰু বাসস্থানৰ চাহিদা বাঢ়ি গৈ আছে। ফলত মানুহে হাবি-বন ধ্বংস কৰি আবাসিক আৰু ঔদ্যোগিক অঞ্চল গঢ়ি তুলিছে।
- যধে-মধে হাবি-বন ধ্বংস কৰাৰ ফলত কিছুমান প্ৰাণী, যেনে— এটা খড়্গযুক্ত গঁড়, নল-গাহৰি, বনৰীয়া ম'হ, লাজুকী বান্দৰ, সোণালী বান্দৰ, দেওহাঁহ, কাছ আদি পৃথিৱীৰ পৰা প্ৰায় বিলুপ্ত হ'ব ধৰিছে।
- পাহাৰৰ হাবি-বন কাটি মুকলি কৰি জুম খেতি কৰা হৈছে।
- বিস্তীৰ্ণ তৃণভূমিবোৰ চহাই কৃষিভূমিত পৰিণত কৰা হৈছে।
- জলাশয়বোৰ পুতি মানুহে সেইবোৰত বসতি কৰিবলৈ লৈছে। জলাশয়বোৰ পুতি পেলোৱাৰ ফলত জলজ জীৱৰ আৱাসভূমি কমি আহিছে আৰু লগতে জলজ উদ্ভিদ আৰু প্ৰাণীৰ মৃত্যু ঘটিছে।


← সোণালী বান্দৰ


← দেওহাঁহ


← নল-গাহৰি

বন্যপ্ৰাণীৰ শৰীৰৰ বিভিন্ন অংশ, যেনে— দাঁত, শিং, খড়্গ, ছাল, পাখি আদিৰ বাবে বন্যপ্ৰাণী বধ কৰাৰ ফলত হাতী, ম'হ, গঁড়, বাঘ, সিংহ, ময়ূৰ আদিৰ সংখ্যা কমি আহিছে। এনে পৰিস্থিতি উদ্ভৱ হ'লে পৰিস্থিতিতন্ত্ৰত খাদ্যশৃংখলৰ ব্যাঘাত ঘটে আৰু প্ৰাকৃতিক ভাৰসাম্য বিনষ্ট হয়। পৃথিৱীত গছ-



গছনি আৰু প্ৰাণীবোৰ থাকিলেহে মানুহৰ বাবে উপযুক্ত পৰিৰেশ থাকিব। সেয়েহে বনজ সম্পদৰ সংৰক্ষণৰ ওপৰত গুৰুত্ব দিয়া হৈছে।

চৰকাৰে এই বনজ সম্পদসমূহৰ ৰক্ষণাবেক্ষণ দিবলৈ আৰু সংৰক্ষণ কৰিবৰ উদ্দেশ্যে কিছুমান গছ-গছনি, বন্যপ্ৰাণী আৰু চৰাই-চিৰিকটিৰে ভৰি থকা প্ৰাকৃতিক অঞ্চলক ক্ৰমে সংৰক্ষিত বনাঞ্চল, অভয়াৰণ্য, ৰাষ্ট্ৰীয় উদ্যান, পক্ষী উদ্যান, উদ্ভিদ উদ্যান হিচাপে স্বীকৃতি দিছে।

বনজ সম্পদত চহকী প্ৰাকৃতিক অঞ্চল কিছুমানক চৰকাৰে সংৰক্ষিত বনাঞ্চল হিচাপে ঘোষণা কৰে। এই সংৰক্ষিত বনাঞ্চলসমূহত থকা উদ্ভিদ আৰু বন্যপ্ৰাণীৰ সুৰক্ষাৰ ব্যৱস্থা বন বিভাগে লয়। কোনো অঞ্চল এটা বন্যপ্ৰাণীৰ আৱাসস্থলী হিচাপে বিবেচিত হ'বলৈ হ'লে প্ৰয়োজনীয় তিনিটা উপাদান যেনে— খাদ্য, পানী আৰু বাসস্থান থাকিব লাগিব। এই তিনিটা উপাদান সঠিকভাৱে থাকিলেহে জৈব-বৈচিত্ৰ্যৰ সৃষ্টি হয়। কোনো কাৰণত বন্যপ্ৰাণীৰ আৱাসভূমিত এই তিনিটা উপাদান সঠিকভাৱে নাথাকিলে প্ৰয়োজন সাপেক্ষে উন্নয়ন কৰি পুনৰাই বন্যপ্ৰাণী থকাৰ উপযোগী কৰি তোলা হয়।

**পৰিৰেশত থকা বিভিন্ন প্ৰজাতিৰ উদ্ভিদ, প্ৰাণী, চৰাই-চিৰিকটি, পোক-পতংগ, অণুজীৱ আদিয়ে জৈব-বৈচিত্ৰ্যৰ সৃষ্টি কৰে।**




**অভয়াৰণ্য :** জৈব-বৈচিত্ৰ্যৰ ওপৰত ভিত্তি কৰি চৰকাৰে প্ৰাকৃতিকভাৱে যথেষ্ট গুৰুত্বপূৰ্ণ একোটা এলেকাক অভয়াৰণ্য বুলি ঘোষণা কৰে। অভয়াৰণ্য মানুহৰ ঘন বসতিপূৰ্ণ অঞ্চলৰ পৰা বহু আঁতৰত অৱস্থিত। ইয়াত বন্যপ্ৰাণী আৰু উদ্ভিদক বিশেষভাৱে ৰক্ষণাবেক্ষণ দিয়া হয়। ইয়াত বন্যপ্ৰাণীবোৰ বিপদমুক্তভাৱে বিচৰণ কৰি ফুৰিব পাৰে। অভয়াৰণ্যত থকা গছ-গছনি যাতে বিনা অনুমতিত কোনেও কাটি লৈ যাব নোৱাৰে আৰু বন্যপ্ৰাণীবোৰ বধ কৰিব নোৱাৰে তাৰ প্ৰতি চোকা দৃষ্টি ৰখা হয়।



**ৰাষ্ট্ৰীয় উদ্যান :** প্ৰত্যেকখন স্বাধীন দেশৰ নিজৰ নিজৰ ৰাষ্ট্ৰীয় উদ্যান থাকে। এখন দেশৰ এখনতকৈ বেছি ৰাষ্ট্ৰীয় উদ্যান থাকিব পাৰে। এই ৰাষ্ট্ৰীয় উদ্যানবোৰত বিৰল প্ৰজাতি আৰু বন্যপ্ৰাণীবোৰক বিশেষভাৱে ৰক্ষণাবেক্ষণ দিয়া হয়। কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত এটা খড়্গ থকা গঁড়ৰ সংৰক্ষণৰ বাবে বিশেষভাৱে গুৰুত্ব দিয়া হয়। মানাহ, নামেৰী আৰু কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যানত বাঘৰ সুৰক্ষা আৰু সংৰক্ষণৰ বাবে ব্যাঘ্ৰ প্ৰকল্প হাতত

লোৱা হৈছে। ৰাষ্ট্ৰীয় উদ্যানসমূহক সাধাৰণতে একেবাৰে ভিতৰ অঞ্চল আৰু দাঁতিকাষৰীয়া অঞ্চল হিচাপে দুটা ভাগত ভগোৱা হয়। পৰ্যটকসকলৰ বাবে ৰাষ্ট্ৰীয় উদ্যানৰ দাঁতিকাষৰীয়া অঞ্চলত দৰ্শনৰ সুবিধা থাকে। ৰাষ্ট্ৰীয় উদ্যানৰ একেবাৰে ভিতৰ অঞ্চলত জনসাধাৰণৰ বাবে প্ৰৱেশ নিষেধ থাকে। এই অঞ্চলটো বন্যপ্ৰাণীৰ বাবে সংৰক্ষিত। এই সংৰক্ষিত বনাঞ্চলবোৰ চাবলৈ অহা দেশ-বিদেশৰ পৰ্যটকৰ পৰা চৰকাৰে ৰাজহ সংগ্ৰহ কৰে।



**উদ্ভিদ উদ্যান ঃ** উদ্ভিদ উদ্যান হ'ল এনে কিছু সংৰক্ষিত অঞ্চল য'ত বিভিন্ন প্ৰজাতিৰ উদ্ভিদ সংৰক্ষণ কৰি ৰখা হয়। এই উদ্ভিদ উদ্যানত দৰ্শনাৰ্থীয়ে চিনি পাবৰ বাবে প্ৰত্যেকডাল উদ্ভিদৰ গাত স্থানীয় নামৰ লগতে বৈজ্ঞানিক নামৰ ফলক লগোৱা থাকে।



ছাত্ৰ-ছাত্ৰীসকলে ইয়ালৈ ক্ষেত্ৰ ভ্ৰমণ কৰিবলৈ আহি উদ্ভিদ সম্পৰ্কীয় বিভিন্ন তথ্য সংগ্ৰহ কৰে। এই উদ্ভিদ উদ্যানবোৰ চাবলৈ দেশ-বিদেশৰ পৰ্যটক আহে। গুৱাহাটীৰ চিৰিয়াখানাৰ চৌহদত উদ্ভিদ উদ্যান আছে। অসমত বৃহৎ এলেকাৰ উদ্ভিদ উদ্যান এতিয়াও স্থাপন হোৱা নাই।

অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানসমূহ বিশেষ গুণবিশিষ্ট হ'লে আন্তঃৰাষ্ট্ৰীয় শিক্ষা, বিজ্ঞান আৰু সাংস্কৃতিক সংস্থাই আন্তৰ্জাতিক স্তৰত "প্ৰাকৃতিক বিশ্ব ঐতিহ্যৰ স্থান" ৰূপে স্বীকৃতি দিয়ে। অসমৰ কাজিৰঙা আৰু মানাহ দুয়োখন ৰাষ্ট্ৰীয় উদ্যানেই বিশ্ব ঐতিহ্যৰ স্থান ৰূপে স্বীকৃতি পাইছে।







**অসমৰ কেইখনমান ৰাষ্ট্ৰীয় উদ্যান আৰু অভয়াৰণ্যৰ নাম আৰু সেইবোৰত থকা উল্লেখযোগ্য প্ৰাণী আৰু পক্ষীৰ বিষয়ে জানো আহা—**

| ৰাষ্ট্ৰীয় উদ্যান /অভয়াৰণ্য | উল্লেখযোগ্য প্ৰাণী আৰু পক্ষী |
|---|---|
| কাজিৰঙা ৰাষ্ট্ৰীয় উদ্যান | এটা খড়্গযুক্ত গঁড়, নাহৰফুটুকী বাঘ, হাতী, বিভিন্ন প্ৰজাতিৰ পহু, হৰিণা, হলৌ বান্দৰ, ভালুক, বনৰীয়া ম'হ, নানা প্ৰজাতিৰ চৰাই আদি। |
| মানাহ ৰাষ্ট্ৰীয় উদ্যান | ঢেঁকীয়াপতীয়া বাঘ, সোণালী বান্দৰ, নল গাহৰি, খাগৰিকটা পহু, বনৰীয়া কুকুৰা, ময়ূৰ আদি। |
| নামেৰি ৰাষ্ট্ৰীয় উদ্যান | ঢেঁকীয়াপতীয়া বাঘ, হাতী, টুপীমূৰীয়া বান্দৰ, দেওহাঁহ, ধনেশ পক্ষী আদি। |
| ডিব্ৰু-চৈখোৱা ৰাষ্ট্ৰীয় উদ্যান | বনৰীয়া ঘোঁৰা, দেওহাঁহ, বনৰীয়া ম'হ আদি। |
| ওৰাং ৰাষ্ট্ৰীয় উদ্যান | দেওহাঁহ, বনৰীয়া ম'হ, গঁড়, বাঘ, ময়ূৰ আদি। |
| সোণাই ৰূপাই অভয়াৰণ্য | হাতী, হৰিণা, বনৰীয়া ম'হ, সোণালী বান্দৰ, ক'লা ভালুক, বনৰীয়া গাহৰি, নাহৰফুটুকী বাঘ, দেওহাঁহ আদি। |
| পবিতৰা অভয়াৰণ্য | এটা খড়্গযুক্ত গঁড়, বনৰীয়া মেকুৰী, নাহৰফুটুকী বাঘ, সুগৰি পহু আদি। |
| গৰমপানী অভয়াৰণ্য | হাতী, নাহৰফুটুকী বাঘ, হ'লক গিবন আদি। |
| লাওখোৱা অভয়াৰণ্য | এটা খড়্গযুক্ত গঁড়, বনৰীয়া ম'হ, হাতী, বাঘ, বনৰীয়া হাঁহ, ময়ূৰ আদি। |

**অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানৰ পৰিচালনাৰ বিভিন্ন দিশৰ ভিতৰত মুখ্য ব্যৱস্থা কেইটা হ'ল—**



- বন্যপ্ৰাণীৰ আবাসথলীৰ সুৰক্ষা।
- মানুহ আৰু ঘৰচীয়া প্ৰাণীৰ মুক্ত বিচৰণত বাধা আৰোপ।
- পানীৰ সমস্যা দূৰীকৰণৰ বাবে নিজৰা, বিল, জলাহ, দলনি আদিৰ সংৰক্ষণ।
- তৃণভূমিৰ সংৰক্ষণ।

**অভয়াৰণ্য আৰু ৰাষ্ট্ৰীয় উদ্যানত থকা বন্যপ্ৰাণী আৰু বনজ উদ্ভিদসমূহ আইন আৰু সংবিধানৰ দ্বাৰা সুৰক্ষিত।**

**বনাঞ্চলৰ ৰক্ষণাবেক্ষণত বিছনয়সকলে অৰিহণা যোগোৱা এটা কাহিনী জানোঁ আহা—**

ৰাজস্থানত বিছনয় নামৰ এটা জনগোষ্ঠী আছে। তেওঁলোকৰ এটা বৈশিষ্ট্য হ'ল গছ-গছনি আৰু বন্যপ্ৰাণী সংৰক্ষণ কৰা। তোমালোকে যদি কেতিয়াবা ৰাজস্থানৰ বিছনয় সম্প্ৰদায়ৰ মানুহ থকা গাঁওবোৰলৈ যোৱা, তেতিয়া দেখিবা যে তাত বিভিন্ন ধৰণৰ বন্যপ্ৰাণী যেনে — নীলগাই, হৰিণা আদি মুক্তভাৱে বিচৰণ কৰে। আনকি এটা সময়ত বনাঞ্চল ৰক্ষা কৰিবলৈ গৈ বিছনয় সম্প্ৰদায়ৰ কেইবা শ মানুহে প্ৰাণ দিবলগীয়া হৈছিল।



*প্ৰায় দুশ পঞ্চাশ বছৰ আগেয়ে ৰাজস্থানৰ যোধপুৰত এজন ৰজা আছিল। এবাৰ তেওঁক এটা দুৰ্গ সাজিবলৈ কাঠৰ প্ৰয়োজন হৈছিল। ওচৰতে বিছনয় সম্প্ৰদায়ৰ মানুহৰ গাঁও এখন আছিল। ৰজাই গাঁওখনৰ ওচৰতে থকা বনাঞ্চলৰপৰা গছ কাটিবলৈ কেইজনমান খৰিকটীয়া পঠিয়ালে। কিন্তু বিছনয় সম্প্ৰদায়ৰ মানুহবোৰে খৰিকটীয়াবোৰক গছ কাটিবলৈ নিদি খেদি পঠিয়ালে। এই কাৰ্যত ৰজাৰ ভীষণ খং উঠিল। ৰজাই গছ কাটিবলৈ খৰিকটীয়াবোৰৰ লগত সৈন্য-সামন্ত পঠিয়াই দিলে। বিছনয়সকলে গম পালে যে ৰজাৰ সৈন্য-সামন্ত লৈ খৰিকটীয়াবোৰ বনাঞ্চলত উপস্থিত হৈছেহি। তেতিয়া ওচৰৰ বহুতো বিছনয় সম্প্ৰদায়ৰ গাঁৱৰ ৰাইজ একগোট হৈ বনাঞ্চল ৰক্ষা কৰিবলৈ আগবাঢ়ি আহিল। প্ৰতিজন মানুহে এজোপাকৈ গছ সাৱটি থাকিল। তেওঁলোকে সৈন্যবোৰক উদ্দেশ্য কৰি ক'লে, "তোমালোকে প্ৰথমতে আমাক কাটা, তাৰ পাছতহে গছ কাটিব পাৰিবা।" তেনে পৰিস্থিতি দেখি সেনাপতিজনে সৈন্যসকলক গাঁৱৰ ৰাইজক মাৰি পেলাবলৈ আদেশ দিলে। সেইমতে কাম হ'ল। এই ঘটনাত কমেও ৩৬০ জন মানুহৰ মৃত্যু ঘটিল। এনে দৃশ্য দেখি খৰিকটীয়াবোৰ গছ কাটিবলৈ অমান্তি হ'ল।*

*এই ঘটনাৰ পাছত ৰজাৰ মনলৈ বৰ অনুতাপ আহিল। তেওঁ গাঁৱলৈ আহি ৰাইজৰ ওচৰত ক্ষমা খুজিলে। শেষত ৰজাই নিজেই ঘোষণা কৰিলে যে বিছনয় সম্প্ৰদায়ৰ লোকে বাস কৰা গাঁৱৰ ওচৰে-পাজৰে গছ কটা আৰু প্ৰাণী বধ কৰাটো নিষেধ। অতীজৰে পৰা বিছনয় সম্প্ৰদায়ৰ লোকে এনেদৰে বনাঞ্চল ৰক্ষা কৰি আহিছে। এই কাহিনীটো এটা উদাহৰণহে মাত্ৰ। আজিও পৃথিৱীৰ বিভিন্ন ঠাইৰ মানুহে বনাঞ্চল ৰক্ষা কৰি আহিছে।*

**ক্ৰিয়াকলাপ**

তোমালোকেও বিদ্যালয়ৰ চৌহদত গছপুলি ৰুবা। বিদ্যালয়ত থকা সময়খিনিত গছপুলিবোৰৰ যত্ন আৰু ৰক্ষণাবেক্ষণৰ দায়িত্ব ল'বা।



**পৰিবেশ সংৰক্ষণৰ সজাগতা আনিবলৈ জনসাধাৰণে লোৱা কিছুমান ব্যৱস্থা —**

- ২ ফেব্ৰুৱাৰীত প্ৰকৃতি সংৰক্ষণৰ বাবে 'বিশ্ব জলাহ দিৱস' পালন কৰা হয়।
- বৃক্ষৰোপণ কাৰ্যসূচীৰ দ্বাৰা পৃথিৱীৰ উপৰিভাগ সেউজ কৰাৰ প্ৰতি সজাগতা বৃদ্ধি কৰিবলৈ ২১ মাৰ্চ দিনটো 'বিশ্ব বন দিৱস' হিচাপে পালন কৰা হয়।
- ২২ মে' দিনটো 'বিশ্ব জৈব-বৈচিত্ৰ্য দিৱস' হিচাপে পালন কৰা হয়।
- মানুহৰ মাজত বন্যপ্ৰাণীৰ সংৰক্ষণৰ বাবে সজাগতা আনিবলৈ অক্টোবৰ মাহৰ প্ৰথম সপ্তাহটো 'বিশ্ব বন্যপ্ৰাণী সপ্তাহ' হিচাপে পালন কৰা হয়।
- পৃথিৱীখন কেৱল মানুহৰেই নহয়, ই আন জীৱৰো বাসস্থান। কিন্তু মানুহৰ কিছুমান কাম-কাজে অন্য জীৱৰ বসবাসৰ প্ৰতি ভাবুকি আনিছে। ইয়াৰ প্ৰতি সজাগতা আনিবলৈ ৩ অক্টোবৰ দিনটো 'বিশ্ব বাসস্থান দিৱস' হিচাপে পালন কৰা হয়।

**মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাত—**



পৰিৱেশৰ ভাৰসাম্যতা ৰাখিবলৈ এটা অঞ্চলৰ প্ৰায় ৩৩ শতাংশ বনাঞ্চল থকাৰ প্ৰয়োজন। জনসংখ্যা বৃদ্ধি আৰু নগৰ চহৰৰ প্ৰসাৰ ঘটাৰ বাবে মানুহে বনাঞ্চল ধ্বংস কৰি তাত কৃষিকাৰ্য, ঘৰ-দুৱাৰ, ৰে'লপথ, ৰাষ্ট্ৰীয় ঘাইপথ, উদ্যোগ আদি গঢ়ি তুলিছে। বনাঞ্চলত থকা বিল, পিতনি, দলনি আদি পুতি মানুহে তাতো বসতি কৰিছে। ইয়াৰ ফলত বন্যপ্ৰাণীৰ আৱাসভূমি, খাদ্য আৰু পানীৰ নাটনি হৈছে। মানুহে বনাঞ্চল ধ্বংস কৰি বন্যপ্ৰাণীৰ আৱাসভূমিৰ দাঁতিকাষৰীয়া অঞ্চলত থাকিবলৈ লোৱাৰ ফলত সঘনাই বন্যপ্ৰাণী আৰু মানুহৰ সংঘাত হৈছে। বন্যপ্ৰাণীবোৰে খাদ্য আৰু পানীৰ সন্ধানত নগৰ চহৰৰ ঘন বসতিপূৰ্ণ ঠাইলৈ ওলাই আহে। বন্যপ্ৰাণীবোৰে ঘৰচীয়া জীৱ-জন্তুবোৰ খাদ্যৰ বাবে আক্ৰমণ কৰে বা হত্যা কৰি খায়। মাজে মাজে বনৰীয়া ম'হ, বনৰীয়া হাতী আদি জাক পাতি আহি মানুহৰ ঘৰ-দুৱাৰ, শস্যপথাৰ আদিৰ অনিষ্ট কৰে। পাহাৰৰ পৰা জাকে জাকে বান্দৰবোৰ নামি আহি মানুহৰ বাৰীৰ ফল-মূল খায় আৰু ঘৰৰ বস্তু লণ্ড-ভণ্ড কৰে। ইয়াৰ ফলত মানুহে আতংকিত হোৱাৰ উপৰি উভয় পক্ষৰ সংঘাতত কেতিয়াবা মানুহ নাইবা বন্যপ্ৰাণী আঘাতপ্ৰাপ্ত হ'ব লগা হয় বা মৃত্যুমুখত পৰে। এইদৰে মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাতত মৃত্যু হোৱা বন্যপ্ৰাণীৰ সংখ্যা দিনক দিনে বাঢ়ি গৈছে। কেতিয়াবা বন্যপ্ৰাণীবোৰ ৰে'লপথ আৰু আলিবাটলৈ ওলাই অহাৰ ফলত দুৰ্ঘটনাত পতিত হৈ মৃত্যুমুখত পৰে। মানুহ আৰু বন্যপ্ৰাণীৰ সঘনাই হোৱা সংঘাতৰ বাবে মানুহেই প্ৰকৃততে দোষী। কাৰণ মানুহে ইহঁতৰ আৱাসভূমি ধ্বংস কৰি তাত বসবাস কৰিব লৈছে।

**দলগত কাৰ্য—**

বন্যপ্ৰাণীৰ সংৰক্ষণৰ বাবে সমাজত সজাগতা আনিবলৈ উপযুক্ত বাক্য লিখি কিছুমান পোষ্টাৰ তৈয়াৰ কৰা। যেনে— বনাঞ্চল থাকিলেহে বন্যপ্ৰাণী থাকিব। (শিক্ষক-শিক্ষয়িত্ৰীৰ সহায় ল'বা)

## অনুশীলনী

১। উত্তৰ লিখা—

(ক) বন্যপ্ৰাণীৰ আৱাসথলীত কোন তিনিটা উপাদান থকা বিশেষ প্ৰয়োজন?

(খ) "প্ৰাকৃতিক বিশ্ব ঐতিহ্যৰ স্থান" পোৱা অসমৰ ৰাষ্ট্ৰীয় উদ্যান দুখনৰ নাম কি কি?

(গ) মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাতৰ তিনিটা কাৰণ উল্লেখ কৰা।

(ঘ) ব্যাঘ্ৰ প্ৰকল্প থকা দুখন ৰাষ্ট্ৰীয় উদ্যানৰ নাম লিখা।

(ঙ) অসমৰ বনাঞ্চলত থকা চাৰিবিধ বিৰল প্ৰজাতিৰ প্ৰাণীৰ নাম উল্লেখ কৰা।

২। 'ক' অংশৰ লগত 'খ' অংশ মিলোৱা —

| 'ক' | 'খ' |
|---|---|
| পাহাৰৰ হাবি-বন কাটি | বিভিন্ন প্ৰজাতিৰ উদ্ভিদ সংৰক্ষণ কৰা হয়। |
| উদ্ভিদ উদ্যানত | জুম খেতি কৰা হয়। |
| অভয়াৰণ্যত | দ'দ' চৰাই আছিল। |
| মৰিছাছ দ্বীপত | বন্যপ্ৰাণীবোৰে মুক্তভাৱে বিচৰণ কৰি ফুৰিব পাৰে। |

৩। খালী ঠাই পূৰ কৰা—

(ক) ২১ মাৰ্চ দিনটো ________ হিচাপে পালন কৰা হয়।

(খ) গুৱাহাটীৰ চিৰিয়াখানাত ________ আছে।

(গ) মানুহ আৰু বন্যপ্ৰাণীৰ সংঘাতৰ বাবে ________ প্ৰকৃততে দোষী।

(ঘ) ডিব্ৰু-চৈখোৱা এখন ________ ।

(ঙ) সংৰক্ষিত বনাঞ্চলবোৰ চাবলৈ অহা পৰ্যটকৰ পৰা চৰকাৰে ________ সংগ্ৰহ কৰে ।

৪ । চমু উত্তৰ দিয়া—

(ক) বন্যপ্ৰাণী সপ্তাহ বছৰৰ কোনটো মাহত পালন কৰা হয়?

(খ) ৰাষ্ট্ৰীয় উদ্যানৰ কোনটো ভাগত পৰ্যটকৰ বাবে দৰ্শনৰ ব্যৱস্থা থাকে?

(গ) জৈৱ-বৈচিত্ৰ দিৱস কোন তাৰিখে পালন কৰা হয়?

(ঘ) দ'দ' চৰাইৰ লগত কোনবিধ উদ্ভিদ পৃথিৱীৰ পৰা একেলগে বিলুপ্ত হৈ গ'ল?

৫ । চমুটোক লিখা —

(ক) অভয়াৰণ্য (খ) সংৰক্ষিত বনাঞ্চল (গ) উদ্ভিদ উদ্যান (ঘ) ৰাষ্ট্ৰীয় উদ্যান